# অসম আদিত্য

কাতি, ১৯৪৭ শক ■ শুকুৰবাৰ, ১৪ নৱেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Friday, November 14, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


## উত্তৰ-পূৰ্বাঞ্চলভিত্তিত আকস্মিক বক্তৃতা-কুইজ প্ৰতিযোগিতা

**ডিব্ৰুগড়, ১৩ নৱেম্বৰ ঃ** উজনি অসমৰ অন্যতম প্ৰাচীন আৰু গৌৰৱময় আইন শিক্ষা প্ৰতিষ্ঠান ড০ ৰোহিণী কান্তবৰুৱা আইন মহাবিদ্যালয়, ডিব্ৰুগড়, গৌৰৱোজ্জ্বল সোণালী বৰ্ষত পদাৰ্পণ কৰিছে। ১৯৭৬ চনত প্ৰতিষ্ঠিত এই মহাবিদ্যালয়খনে অসমৰ আইন শিক্ষাৰ বিকাশত উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে। সোণালী বৰ্ষৰ এই বিশেষক্ষণত আৰু ভাৰতৰ সংবিধান দিৱস উপলক্ষে, ড০ ৰোহিণী কান্তবৰুৱা আইন মহাবিদ্যালয় আৰু হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ যৌথ উদ্যোগত অহা ২৬ নৱেম্বৰত ডিব্ৰুগড়ত অৱস্থিত ড০ ৰোহিণী কান্ত বৰুৱা আইন মহাবিদ্যালয়ৰ প্ৰাংগণত উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত আকস্মিক বক্তৃতা আৰু কুইজ প্ৰতিযোগিতা আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাত উত্তৰ-পূৰ্বাঞ্চলৰ সকলো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণৰ বাবে আয়োজন সমিতিয়ে আন্তৰিক আহ্বান জনাইছে। সংবিধান দিৱসৰ আত্মাক উপলব্ধি কৰি জ্ঞান আৰু চিন্তাৰ এক সৌহাৰ্দ্যৰ মঞ্চত একত্ৰিত হোৱাৰ এক বিনম্ৰ প্ৰয়াস বুলি আয়োজক সমিতিয়ে এক প্ৰেছ বিজ্ঞপ্তিৰে অৱগত কৰিছে।